# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। আসন্ন লোকসভা নিৰ্বাচনৰ সময়-সূচী ঘোষণা কৰা হৈছে। এই বেলি সাতটা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

২। অসমত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

৩। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধিৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, সমগ্ৰ বিশ্ব অনিশ্চিয়তাৰ চাকনৈয়াত আবদ্ধ হ'লেও ভাৰতৰ দ্ৰুত বিকাশ যাত্ৰা অব্যাহত থাকিব।

*আৰু*

৫। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আজি দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

আসন্ন লোকসভা নিৰ্বাচনৰ সময়-সূচী ঘোষণা কৰা হৈছে। সেই অনুসৰি, এই বেলি সাতটা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগে কালি  সাধাৰণ নিৰ্বাচনৰ সমান্তৰালভাৱে চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰো ভোটগ্ৰহণৰ সূচী ঘোষণা কৰে। ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত ১০২ খন আসন সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে, তৃতীয় পৰ্য্যায়ত ৭ মে'ত ৯৪ খন আৰু চতুৰ্থ পৰ্যায়ত ১৩ মে'ত ৯৬ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা, ষষ্ঠ পৰ্যায়ত ২৫ মে'ত ৫৭টা আৰু পহিলা জুনত সপ্তম তথা অন্তিম পৰ্যায়ত ৫৭টা সমষ্টি সামৰি ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নতুন দিল্লীত নিৰ্বাচনী সময়-সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, গুজৰাট, তামিলনাডু, পাঞ্জাব, তেলেংগানা, কেৰালা, হাৰিয়াণা, হিমাচল প্ৰদেশ, দিল্লী, মেঘালয় আৰু নাগালেণ্ডসহ ২২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত এটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। কৰ্ণাটক, ৰাজস্থান, মণিপুৰ আৰু ত্ৰিপুৰাত দুটা পৰ্যায়ত তথা ছত্তিশগড় আৰু অসমত তিনিটা পৰ্যায়ত নিৰ্বাচন আনুষ্ঠিত হ'ব। ইয়াৰ বিপৰীতে মধ্যপ্ৰদেশ আৰু ঝাৰখণ্ডত চাৰিটা তথা মহাৰাষ্ট্ৰ আৰু জম্মু-কাশ্মীৰত পাঁচটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিমবংগত সাতটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে হ'বলগীয়া ছিকিম, ওড়িশা, অন্ধ্ৰপ্ৰদেশ আৰু অৰুণাচল প্ৰদেশৰ

বিধানসভা নিৰ্বাচনৰো সময়-সূচী ঘোষণা কৰিছে। ৩২ জনীয়া ছিকিম বিধানসভা আৰু ৬০ জনীয়া অৰুণাচল প্ৰদেশ বিধানসভাৰ বাবে ১৯ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে এটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। একেদৰে, ১৭৫ জনীয়া অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ বাবে ১৩ মে'ত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪৭ জনীয়া ওড়িশা বিধানসভাৰ বাবে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ১৩,২০,২৫মে' আৰু পহিলা জুনত চাৰিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ সময়-সূচী ঘোষণা কৰাৰ লগে লগে নিৰ্বাচনী আচৰণ বিধিও বলবৎ হৈছে।

১৬ জুনত বৰ্তমান লোকসভাৰ কাৰ্যকালৰ সামৰণি পৰিব। দেশৰ মুঠ ৫৪৩ খন লোকসভা আসনৰ ভিতৰত ৮৪ খন অনুসূচিত জাতি আৰু ৪৭ খন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত। আমাৰ সংবাদদাতাই জনাইছে যে, লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিহাৰ, গুজৰাট, হাৰিয়াণা, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড, উত্তৰ প্ৰদেশ আৰু ত্ৰিপুৰাৰ ২৬ খন বিধানসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

লোকসভা আৰু ৪ খন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধিৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে। কেবিনেট সচিব, সকলো ৰাজ্যৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ লিখা এখন পত্ৰত আয়োগে কৈছে যে, নিৰ্বাচন ঘোষণা কৰাৰ পৰা ২৪ ঘণ্টাৰ ভিতৰত সকলো চৰকাৰী সম্পত্তিৰ ওপৰত আৰি থোৱা বেনাৰ-পোষ্টাৰ আঁতৰ কৰিব লাগিব আৰু দেৱাল লিখন মুচি দিব লাগিব। আয়োগে কৈছে যে, ৰাজহুৱা সম্পত্তি আৰু ৰে'ল ষ্টেচন, বাছ আস্থানৰ দৰে ৰাজহুৱা স্থানত অনাধিকৃত দেৱাল লিখন বা পোষ্টাৰ-হোৰ্ডিং, বেনাৰ, পতাকাৰ ৰূপত প্ৰদৰ্শন কৰা ৰাজনৈতিক বিজ্ঞাপন ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব। একেদৰে নিৰ্বাচনৰ ঘোষণাৰ পৰা ৭২ ঘণ্টাৰ ভিতৰত ব্যক্তিগত সম্পত্তিত প্ৰদৰ্শন কৰা সকলো অনাধিকৃত ৰাজনৈতিক বিজ্ঞাপন আঁতৰ কৰিব লাগিব। আয়োগে লগতে কৈছে যে, নিৰ্বাচনী কাম-কাজত নিয়োজিত বিষয়াৰ বাহিৰে কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা নিৰ্বাচনৰ সৈতে জড়িত আন ব্যক্তিৰ দ্বাৰা চৰকাৰী বাহন ব্যৱহাৰৰ ক্ষেত্ৰত পূৰ্ণ নিষেধাজ্ঞা থাকিব। চৰকাৰী খৰচত চৰকাৰৰ সাফল্য সন্দৰ্ভত বৈদ্যুতিন অথবা ছপা মাধ্যমত কোনো ধৰণৰ বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব বুলি আয়োগে স্পষ্ট কৰি দিছে। মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াসকলে নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পাছত চৰকাৰৰ সাফল্য প্ৰদৰ্শন কৰা যিকোনো বিজ্ঞাপন আঁতৰাবলৈ বা বন্ধ কৰিবলৈ ততালিকে ব্যৱস্থা কৰিব লাগিব। মুখ্য নিৰ্বাচনী বিষয়াসকলে ৰাজ্য বিভাগৰ চৰকাৰী ৱেবছাইটৰ পৰা যিকোনো বিজ্ঞাপনৰ ফটো আঁতৰ কৰাৰ বাবে অথবা লুকুৱাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা উচিত। আয়োগে কৈছে যে, নিৰ্বাচন হ'বলগীয়া ৰাজ্য কেইখনত ৱেবছাইট আৰু ক'ল চেণ্টাৰ আধাৰিত ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থাৰ দিহা কৰা হ'ব। এনে কল চেণ্টাৰৰ শুল্কবিহীন নম্বৰ হ'ব ১৯৫০। নিৰ্বাচনৰ মূল কাম-কাজৰ প্ৰচাৰ কৰা হ'ব আৰু ইয়াৰ বাবে ৰেডিঅ', টিভি, চিনেমা আৰু চৰকাৰী চেনেলৰ জৰিয়তে আৱশ্যকীয় তথা প্ৰচাৰ কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, সমগ্ৰ বিশ্ব অনিশ্চিয়তাৰ চাকনৈয়াত আবদ্ধ হ'লেও ভাৰতৰ দ্ৰুত বিকাশ যাত্ৰা অব্যাহত থাকিব। দিল্লীত আয়োজিত ইণ্ডিয়া টুডে অভিৱৰ্তনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কালি এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা ৰূপে গঢ়ি তোলাটোৱেই দেশৰ মেজাজ। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ শিৰোনাম দখলৰ বাবে কাম নকৰে বৰং নিৰ্ধাৰিত সময়ত কৰ্ম সম্পাদনতহে

গুৰুত্ব আৰোপ কৰে। ২০১৪ চনৰ পূৰ্বে দেশত মাত্ৰ কেইশমানহে পঞ্জীকৃত ষ্টাৰ্ট আপ প্ৰতিষ্ঠান আছিল আৰু সম্প্ৰতি ষ্টাৰ্ট আপৰ সংখ্যা প্ৰায় ১ লাখ ২৫ হাজাৰলৈ বৃদ্ধি পাইছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ভাৰতৰ ষ্টাৰ্ট আপ বিপ্লৱ দেশৰ ৬০০ খনৰো অধিক জিলা অৰ্থাৎ দেশৰ প্ৰায় ৯০ শতাংশ এলেকালৈ সম্প্ৰসাৰিত হৈছে। তেওঁ কয় যে, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ চহৰসমূহৰ যুৱক-যুৱতীসকলে ষ্টাৰ্ট আপ বিপ্লৱৰ গুৰি ধৰিছে আৰু সৰু সৰু চহৰত যুৱক-যুৱতীসকলৰ সাফল্যই দেশৰ ষ্টাৰ্ট আপ বিপ্লৱক আগুৱাই লৈ গৈছে। শ্ৰীমোদীয়ে কয় যে, পূৰ্বতে কেতিয়াও চাইকেল চলাই নোপোৱা গাওঁৰ মহিলাসকলে এতিয়া ড্ৰোন চলাবলৈ লৈছে। ইয়াৰ ফলত সমাজত যথেষ্ট প্ৰভাৱ পৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ পালনাডু জিলাত এখন নিৰ্বাচনী সভাত ভাগ ল'ব। বিজয়ৱাড়াত থকা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিনোদ তাৱড়েই কয় যে, প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত পালানাডুৰ চিলাকালুৰিপেতা এই সভা অনুষ্ঠিত হ'ব। আসন্ন নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে অন্ধ্ৰপ্ৰদেশত হ'বলগীয়া এন ডি এৰ এই প্ৰথমখন সভাত টেলেগু দেশম পাৰ্টিৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডু আৰু জনসেনাৰ মুৰব্বী পৱন কল্যাণো উপস্থিত থাকিব।

উল্লেখযোগ্য যে, সুদীৰ্ঘ ১০ বছৰৰ পাছত টেলেগু দেশম পাৰ্টি, জনসেনা আৰু বিজেপি মিত্ৰজোঁটৰ এই সহযোগী দল কেইটা বৈঠকত মিলিত হ'ব। যোৱা ১১ মাৰ্চত চন্দ্ৰবাবু নাইডুৰ উনড্ৱল্লীৰ বাসগৃহত অনুষ্ঠিত বৈঠকৰ পাছত এন ডি এৰ মিত্ৰজোঁটে লোকসভাৰ আসন ভাগ বটোৱাৰা আৰু ৰাজ্যত নিৰ্বাচন সন্দৰ্ভত সিদ্ধান্ত চূড়ান্ত কৰিছিল।

০০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আজি দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে দিল্লীত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে ১৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৫ ৰান কৰে।

ডেল্‌হি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ভিতৰত ছখনত জয়লাভ কৰাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে চাৰিখন খেলতহে জয়ী হৈছে।

০০০০০

ভাৰতৰ লক্ষ্য সেন কালি অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত ইন্দোনেছিয়াৰ জোনাটন কৃষ্টিৰ হাতত ১২-২১, ২১-১০, ১৫-২১ গেমত পৰাজিত হয়। কৃষ্টি ফাইনেলত ইন্দোনেছিয়াৰ এণ্টনি গিংটিঙৰ সন্মুখীন হ'ব। গিংটিঙে কালি প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সৰ কিষ্টো প'প'ভক ১৯-২১, ২১-৫, ২১-১১ গেমত পৰাভূত কৰে।

০০০০০

**সমাপ্ত**